**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 09-10-2026** **Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::

১। উচ্চতম ন্যায়ালয়ে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহক বাহন, সাৰথি, ই-দাৰ আৰু বীমা তথ্য ব্যুৰ'ক চাৰি সপ্তাহৰ ভিতৰত পৰস্পৰৰ লগত সংযুক্ত কৰাৰ বাবে নিৰ্দেশ দিছে।

২। অন্ধ্ৰপ্ৰদেশৰ সাংস্কৃতিক ঐতিহ্য, পৰম্পৰাগত কাৰুশিল্পক প্ৰতিফলিত কৰা ১৮টাতকৈও অধিক স্মাৰকে
এইবছৰ প্ৰধানমন্ত্ৰীৰ স্মাৰক সংগ্ৰহত স্থান লাভ কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ভাৰতৰ
কূটনীতিবিদসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি মত প্ৰকাশ কৰিছে।

৪। ভাৰতীয়মূলৰ দক্ষিণ আফ্ৰিকীয় আইনজ্ঞ নৰনেথেম নভি পিল্লাইয়ে শান্তিৰ নবেল বঁটা লাভ কৰে।

*আৰু*

৫। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ৱেষ্ট ইণ্ডিজে টচত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।

০০০০০০০

উচ্চতম ন্যায়ালয়ে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহক বাহন, সাৰথি, ই-দাৰ আৰু বীমা তথ্য ব্যুৰ'ক চাৰি সপ্তাহৰ ভিতৰত পৰস্পৰৰ লগত সংযুক্ত কৰাৰ বাবে নিৰ্দেশ দিছে। বাহন দুৰ্ঘটনা ক্ষতিপুৰণ দাবীৰ আইনী প্ৰক্ৰিয়া খৰটকীয়া কৰাৰ লগতে দুৰ্ঘটনা, যানবাহন আৰু বীমা সমন্ধীয় তথ্যসমূহ সহজে আদান প্ৰদান কৰাটো নিশ্চিত কৰাৰ উদ্দেশ্যে ৰাজ্যসমূহক ই-দাৰ পৰ্টেলত অনতি পলমে দুৰ্ঘটনাৰ তথ্যসমূহ আপলোড কৰাৰ নিৰ্দেশ দিয়া হৈছে। এই প্ৰক্ৰিয়াই হিট এণ্ড ৰান গোচৰ আৰু পি এম ৰাহত আঁচনিক সামৰি ল'ব। ইয়াৰ ফলত বীমা কোম্পানীসমূহে সময়মতে দুৰ্ঘটনাৰ তথ্যসমূহ লাভ কৰিব। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে নিৰ্দেশ পালনৰ তথ্য শপতনামাৰ জৰিয়তে দাখিল কৰিব লাগিব। আদালতে পূৰ্বৰ আদেশসমূহ পালন নকৰাৰ বাবে কিছুসংখ্যক বীমা কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াৰ বিৰুদ্ধে অৱমাননাৰ জাননি জাৰি কৰিছে।

০০০০০০০

অন্ধ্ৰপ্ৰদেশৰ সাংস্কৃতিক ঐতিহ্য, পৰম্পৰাগত কাৰু শিল্প আৰু জনসাধাৰণৰ সাফল্যক প্ৰতিফলিত কৰা ১৮টাতকৈও অধিক স্মাৰকে এইবছৰ প্ৰধানমন্ত্ৰীৰ স্মাৰক সংগ্ৰহত ঠাই পাইছে। এই উপহাৰসমূহ প্ৰধানমন্ত্ৰীক প্ৰদান কৰা হৈছিল আৰু এতিয়া দেশৰ বৃহত্তৰ স্বাৰ্থৰ হকে গ্ৰহণ কৰা ৰাজহুৱা নিলাম কাৰ্যসূচীৰ অংশ হৈ পৰিছে। এই সংগ্ৰহৰ ভিতৰত গ্ৰাম্য জীৱন আৰু পৰম্পৰাগত কাৰুশিল্পৰ চানেকী হিচাপে এখন কাঠৰ কোণ্ডাপল্লী গৰু গাড়ী, প্ৰধানমন্ত্ৰীৰ ছবি সম্বলিত এখন কালামকাৰী বস্ত্ৰ, শ্ৰীশৈলমৰ শ্ৰীশিৱাজী স্ফুৰ্তি কেন্দ্ৰমৰ স্মাৰক অন্যতম। ইয়াৰোপৰি ২০২৫ বৰ্ষৰ শ্ৰীশক্তি প্ৰতিভা বঁটা স্মাৰকে নাৰীৰ সাফল্যক স্বীকৃতি

প্ৰদান কৰাৰ লগতে ভাৰতৰ সুপ্ৰশাসনৰ এক্ৰিলিক পেইণ্টিঙে কল্যাণকামী আঁচনি, কৃষি, স্বাস্থ্যসেৱা, শিক্ষা তথা আন্তঃগাঁথনিৰ দৰে বিষয়বস্তু উপস্থাপন কৰে। এই স্মাৰকসমূহে কেৱল অন্ধ্ৰপ্ৰদেশৰ সাংস্কৃতিক পৰিচয়কে প্ৰতিনিধিত্ব নকৰে বৰং সামাজিক প্ৰগতি আৰু বিকাশৰ আকাংক্ষাকো প্ৰতিফলিত কৰে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰীৰ স্মাৰক ই-নিলামৰ অষ্টম সংস্কৰণৰ দিন অহা ৩১ অক্টোবৰলৈ বৃদ্ধি কৰা হৈছে। সাংস্কৃতিক মন্ত্ৰালয়ে আগ্ৰহী নিবিদাকাৰীসকলক নিলামৰ তাৰিখ আৰু অংশগ্ৰহণৰ সবিশেষ জানিবৰ বাবে চৰকাৰী প্ৰধানমন্ত্ৰী স্মাৰক ই-নিলাম পৰ্টেল pmmementos.gov.in ভিজিট কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

আজি ভাৰতীয় বৈদেশিক সেৱা দিৱস। এই উপলক্ষে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে ভাৰতীয় বৈদেশিক সেৱাত কৰ্মৰত সকলো সদস্যকে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ডঃ জয়শংকৰে কয়, যে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ভাৰতৰ কূটনীতিবিদসকলে অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। তেওঁলোকৰ সমৰ্পন আৰু পেছাদাৰী মনোভাৱে বিশ্ব পৰ্যায়ত ভাৰতৰ শক্তিশালী স্থিতি অব্যাহত ৰাখিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ লগতে ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ সেৱাৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে বন্ধুত্বৰ বন্ধন শক্তিশালী কৰিবলৈ প্ৰবাসী ভাৰতীয়ৰ কল্যাণৰ পৰা আৰম্ভ কৰি বিশ্বৰ অন্যান্য দেশৰ সৈতে সহযোগিতা বৃদ্ধিলৈকে মন্ত্ৰালয়ে ৰাষ্ট্ৰ সেৱাৰ বাবে নিষ্ঠাৰে কাম কৰি যাব।

০০০০০০০

নগাঁও সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোট গণনা চলি আছে। ভোটগণনাৰ শেহতীয় তথ্য অনুসৰি বিজেপিৰ প্ৰাৰ্থী দেৱাশীষ শৰ্মাই তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলতকৈ ১ লাখ ৫১ হাজাৰ ২২৬ টা ভোটত আগবাঢ়ি আছে। বিজেপিৰ প্ৰাৰ্থীগৰাকীয়ে ৬ লাখ ৯৭ হাজাৰ ১৭৭ টা ভোট লাভ কৰিছে। ইয়াৰ বিপৰীতে আজমলে ৫ লাখ ৪৫ হাজাৰ ৯৫১ টা ভোট লাভ কৰিছে। ইপিনে, কংগ্ৰেছ দলৰ প্ৰাৰ্থী শিৱামণি বৰা ১ লাখ ২৬ হাজাৰ ৬৫ টা ভোটেৰে তৃতীয় স্থানত আছে।

ইপিনে, ডাকযোগে পঠোৱা বেলটত বিজেপি প্ৰাৰ্থী দেৱাশীষ শৰ্মাই ৩ হাজাৰ টা, এ আই ইউ দি এফৰ বদৰুদ্দিন আজমলে এহেজাৰ ২৯৩ টা আৰু কংগ্ৰেছৰ দলৰ শিৱামণি বৰাই ৬২০ টা ভোট লাভ কৰিছে।

০০০০০০০

ভাৰতীয়মূলৰ দক্ষিণ আফ্ৰিকীয় আইনজ্ঞ নৱনেথেম নভি পিল্লাইয়ে আজি শান্তি আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ প্ৰচাৰৰ ক্ষেত্ৰত আগবঢ়োৱাৰ অৱদানৰ বাবে শান্তিৰ নবেল বঁটা লাভ কৰিছে। ৰাষ্ট্ৰ সংঘৰ প্ৰাক্তন মান অধিকাৰ  মুৰব্বী তথা আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয়ৰ বিচাৰক, পিল্লাইয়ে, বৰ্ণবৈষম্য বিৰোধী কৰ্মীসকলৰ পক্ষত আইনী যুঁজ দি তথা মানৱ অধিকাৰ আৰু সমতা বৃদ্ধিৰ দিশৰ কাম কৰি নিজৰ পেছাগত জীৱন গঢ়ি তুলিছিল।

১৯৪১ চনত ডাৰ্বানত জন্মগ্ৰহণ কৰা তামিল মূলৰ পিল্লাই পৰৱৰ্তী সময়ত দক্ষিণ আফ্ৰিকাৰ উচ্চ ন্যায়ালয়ত বিচাৰক হিচাপে কাৰ্যনিৰ্বাহ কৰা প্ৰথমগৰাকী কৃষ্ণাংগ মহিলা হিচাবে পৰিগণিত হয়। বিশ্বৰ অন্যতম সন্মানীয় নৱেল শান্তি বঁটাই চলিত বৰ্ষত ১২৫ বছৰ সম্পূৰ্ণ কৰিছে।

0000000

কেন্দ্ৰীয় স্বাস্থ্য সচিব পুণ্য সলিলা শ্ৰীবাস্তৱে কয়, যে দেশত শক্তিশালী গৱেষণা, সংস্কৃতি গঢ়ি তোলাৰ ক্ষেত্ৰত ডিজিটেল স্বাস্থ্য সম্পদ সমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। নতুন দিল্লীত ডিজিটেল স্বাস্থ্য সম্পদ সন্দৰ্ভত পঞ্চম ৰাষ্ট্ৰীয় প্ৰশিক্ষণ তথা সন্মিলনত ভাষণ দি তেওঁ এইদৰে উল্লেখ কৰে। তেওঁ জ্ঞান আৰু তথ্যৰ সুলভতা সহজ কৰি তোলা আৰু চিকিৎসা শিক্ষা, গৱেষণা আৰু স্বাস্থ্যসেৱা  প্ৰদানৰ ভেটি শক্তিশালী কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় চিকিৎসা গ্ৰন্থাগাৰৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰে। শ্ৰীবাস্তৱে লগতে প্ৰতিখন চিকিৎসা মহাবিদ্যলয়তে বিশেষকৈ ভিতৰুৱা অঞ্চলসমূহত ডিজিটেল চিকিৎসা সম্পদৰ প্ৰসাৰ ঘটাবলৈ আহ্বান জনায়। বিভিন্ন প্ৰতিষ্ঠানৰ মাজত জ্ঞানৰ আদান-প্ৰদানৰ লগতে উৎকৃষ্ট চিকিৎসা গ্ৰন্থাগাৰ ব্যৱস্থাসমূহ ব্যৱহাৰৰ যোগেদি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ সহায়-সমৰ্থন আগবঢ়োৱাৰ গুৰুত্ব সম্পৰ্কে সজোৰে মত প্ৰকাশ কৰে।

0000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে ভাৰত আৰু ইথিওপিয়াৰ কৌশলগত অংশীদাৰিত্ব উমৈহতীয়া মূল্যবোধ, আগ্ৰহ আৰু ঐতিহাসিক দক্ষিণ-দক্ষিণ সমন্বয়ৰ ওপৰত প্ৰতিষ্ঠিত  ড০ জয়শংকৰে আজি আদ্দিছ আবাবাত ইথিওপিয়াৰ বিদেশমন্ত্ৰী গেদিয়ন টিমোথেউছ্ হেছেবনৰ সৈতে এখন বৈঠকত মিলিত হয়। এই আলোচনাত বাণিজ্য, বিনিয়োগ আৰু আন্তঃগাঁথনিকে ধৰি সামুদ্ৰিক নিৰাপত্তা, প্ৰযুক্তি আৰু সংস্কৃতিৰ বিভিন্ন উন্নয়নমূলক দিশ সামৰি দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। দুয়োপক্ষই গোলকীয় উন্নয়নৰ লগতে বহুপাক্ষিক চুক্তি আৰু ভাৰত-আফ্ৰিকান সংঘৰ অংশীদাৰিত্ব শক্তিশালী কৰাৰ দিশতো মত বিনিময় কৰে।

0000000

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ তিনিদিনীয়া ভ্ৰমণসূচীৰে ছিংগাপুৰলৈ ৰাওনা হৈছে। এই ভ্ৰমণকালত শ্ৰীমতী সীতাৰমন ছিংগাপুৰৰ নেতৃবৰ্গ, আগশাৰীৰ ব্যৱসায়ী আৰু বিনিয়োগকাৰীসকলকৰ সৈতে এলানি উচ্চ পৰ্যায়ৰ আলোচনাত মিলিত হ’ব। তেওঁ লগতে দেশখনৰ ৰাষ্ট্ৰপতি থৰ্মন ছন্মুগৰত্নম আৰু প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱঙৰ সৈতে বৈঠকত মিলিত হ’ব। বিত্তমন্ত্ৰীগৰাকীয়ে ছিংগাপুৰৰ উপ-প্ৰধানমন্ত্ৰী গেন কিম য়ং আৰু বিদেশমন্ত্ৰী ড° ভিভিয়ান বালাকৃষ্ণণকো দেখা কৰিব। এই বৈঠকত ভাৰত আৰু ছিংগাপুৰৰ মাজত সৰ্বাত্মক কৌশলগত সহযোগিতাৰ বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহে স্থান লাভ কৰিব। ছিংগাপুৰৰ বিনিয়োগকাৰীৰ সৈতে হ’বলগীয়া বৈঠকৰ অংশ হিচাপে শ্ৰীমতী সীতাৰমনে হেজ ফাণ্ড অৰ্থাৎ বিকল্প বিনিয়োগ পুঁজি আৰু প’ৰ্টফলিঅ’ ফাণ্ড অৰ্থাৎ সমুহীয়া বিনিয়োগ পুঁজিৰ প্ৰৱন্ধকসকলৰ সৈতে ঘূৰণীয়া মেজমেলত ভাগ ল’ব। তেওঁ লগতে চৰকাৰ আৰু আৰু ব্যৱসায় প্ৰতিষ্ঠানৰ মাজৰ বৈঠকত ছিংগাপুৰ আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আগশাৰীৰ বিনিয়োগকাৰী, বিত্তীয় প্ৰতিষ্ঠান আৰু ব্যৱসায়ীৰ সৈতে আলোচনাত মিলিত হ’ব। এই আলোচনাই গোলকীয় বিনিয়োগকাৰীসকলৰ সৈতে ভাৰতৰ বিকাশ যাত্ৰা, বিনিয়োগৰ সুযোগ আৰু পৰিৱৰ্তিত গোলকীয় আৰ্থিক আৰু বিত্তীয় বাতাবৰণক লৈ মত বিনিময়ৰ সুযোগ প্ৰদান কৰিব। শ্ৰীমতী সীতাৰমনে ভ্ৰমণকালত ব্যৱসায়ী জগতৰ কাণ্ডাৰী আৰু আগশাৰীৰ গোলকীয় বিত্তীয় প্ৰতিষ্ঠান, বিনিয়োগ প্ৰতিষ্ঠান আৰু স্বাস্থ্য সেৱা কোম্পানীৰ মুৰববীসকলৰ সৈতেও এলানি বৈঠকত মিলিত হ’ব।

উল্লেখযোগ্য যে ভাৰতৰ সৰ্ববৃহৎ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ উৎসসমূহৰ ভিতৰত ছিংগাপুৰ অন্যতম। দেশখনে ২০০০ চনৰ এপ্ৰিলৰ পৰা চলিত বৰ্ষৰ মাৰ্চ পৰ্যন্ত প্ৰায় ১৯ হাজাৰ ৪৬৮ কোটি ডলাৰ বিনিয়োগ কৰিছে।

০০০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰাঁচীত অনুষ্ঠিত হৈছে। ৱেষ্ট ইণ্ডিজে টচত জিকি ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। ভাৰতে প্ৰথমে বেট ধৰি বাতৰি লিখা পৰলৈকে ৫ টা বলত ১০.ৰান সংগ্ৰহ কৰিছে।

ভাৰতে অধিনায়ক শ্ৰেয়াছ্ আয়াৰৰ আকৰ্ষণীয় শতকৰ সহায়ত প্ৰথমখন খেলত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ